বস্তুই ৰাখিব নোৱাৰে।

বৃত্তীয় প্ৰবাহ চিত্ৰই দেখুৱায় যে আয়ে চুৰান্ত দ্ৰব্য আৰু সেৱাৰ ওপৰত হোৱা মুঠ খৰচৰ মূল্য নিৰ্ণয় কৰি বা মুঠ আয়ৰ মূল্য নিৰ্ণয় কৰি আমি GDP ৰ জোখমাখ কৰিব পাৰো। যিটো পদ্ধতিয়েই আমি নলও কিয়, GDP ৰ পৰিমান কিন্তু একেই হ'ব।

## 2.10 আয়ৰ বৃত্তীয় প্ৰবাহৰ গুৰুত্ব (Importance of circular flow of Income) :

তলৰ কাৰণ কেইটাৰ বাবে অৰ্থনীতিত আয়, ব্যয় আৰু উৎপাদন দ্ৰব্যৰ বৃত্তীয় প্ৰবাহৰ যথেষ্ট গুৰুত্ব আছে।

i) **অৰ্থনীতিৰ কাম-কাজৰ বিষয়ে জ্ঞান (Knowledge about functioning of the economy) :** আয়, ব্যয় আৰু উৎপাদন দ্ৰব্যৰ বৃত্তীয় প্ৰবাহে অৰ্থনীতিৰ কাম-কাজৰ বিষয়ে সম্পূৰ্ণ আৰু স্পষ্ট জ্ঞান যোগান ধৰে। সেই বিলাকে আচম্বিত ধৰণে পদ্ধতিটোৱে কাৰ্য সম্পাদন কৰিছেনে নাই উল্লেখ কৰে।

ii) **ভাৰসাম্য আৰু ভাৰসাম্যহীনতাৰ বিষয়ে জ্ঞান দিয়ে (Knowledge about equilibrium and disequilibrium) :** যদি অৰ্থনীতিত বিভিন্ন প্ৰবাহৰ মাজত সম্পূৰ্ণ মিল আৰু সহযোগিতা থাকে তেতিয়া অৰ্থনৈতিক পদ্ধতিত ভাৰসাম্য অৱস্থা থাকে। আনহাতে যদি উপযুক্ত মিল (adjustment) নাথাকে, তেতিয়া অৰ্থনীতি ভাৰসাম্যহীন অৱস্থাত থাকিব।

iii) **উপভোক্তা আৰু উৎপাদনকাৰীৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা (Mutual dependence between consumers and producers) :** বৃত্তীয় প্ৰবাহে দেখুৱাই যে উপভোক্তা আৰু উৎপাদনকাৰীৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা থাকে। ঘৰুৱা পৰিয়ালৰ পৰা উৎপাদনকাৰীয়ে সেৱা উপাদান লাভ কৰে আৰু তাৰ বিনিময়ত তেওঁলোকলৈ (household) আয় উপাদান যোগান ধৰে। উপভোক্তাই বা ঘৰুৱা পৰিয়ালে উৎপাদনকাৰীয়ে উৎপাদন কৰা দ্ৰব্য কিনাত এই আয় খৰচ কৰে।

iv) **অৰ্থনৈতিক কাম-কাজত সংযোজন (injection) আৰু বিয়োজন (leakage) প্ৰভাৱ (Effects of injections and leakages upon economic activity) :** বৃত্তীয় প্ৰবাহত বিনিয়োগ, ৰপ্তানি আদিৰ বৃদ্ধিয়ে সংযোজন বুজায়। আনহাতেদি জমা, আমদানি আদিক বিয়োজন হিচাবে গণ্য কৰা হয়। যদি সংযোজন বিয়োজনতকৈ বেছি হয় তেতিয়া অৰ্থনৈতিক কাম-কাজৰ সম্প্ৰসাৰণ হয়। তাৰ বিপৰীতে যদি সংযোজন বিয়োজনতকৈ অধিক হয় তেতিয়া অৰ্থনৈতিক কাম-কাজৰ সংকোচন হয়।

v) **বজাৰৰ বৈশিষ্ট্য (Significance of Market) :** বৃত্তীয় প্ৰবাহৰ বিশ্লেষণে সূচায় যে আধুনিক উন্নত অৰ্থনীতিত ঘৰুৱা পৰিয়াল, ব্যৱসায়, চৰকাৰ আৰু বিদেশী খণ্ডৰ মাজত কোনো প্ৰত্যক্ষ লেনদেন নাই। সকলো বিলাক লেনদেন উৎপাদন আৰু মূলধন বজাৰৰ মাধ্যমেদি ঘটে। বিভিন্ন খণ্ডৰ লগত জড়িত দ্ৰব্য, সেৱা আৰু টকাৰ প্ৰবাহ উৎপাদন দ্ৰব্য মূলধন বজাৰৰ মাজেদি যায়। এতিয়া এইটো স্পষ্ট যে এই বজাৰ বিলাকৰ বিশেষ গুৰুত্ব আছে।

vi) **বৰ্দ্ধিত আৰু হ্ৰাস প্ৰাপ্ত ধাৰা (Inflationary and deflationary trends) :** যদি এটা অৰ্থনীতিত বিয়োজনতকৈ সংযোজন বেছি হয় তেতিয়া মুঠ খৰচ, আয় বা উৎপাদন দ্ৰব্যৰ প্ৰবাহ অধিক হয়। ফলত অৰ্থনীতিত inflationary ধাৰাৰ সৃষ্টি হয়। যেতিয়া মুঠ আয় বা উৎপাদন দ্ৰব্যৰ প্ৰবাহতকৈ মুঠ খৰচৰ প্ৰবাহ

কম হয় তেতিয়া অৰ্থনীতিয়ে deflationary অৱস্থাৰ সন্মুখীন হয়।

vii) গুণনীয়কৰ শক্তি (Strength of Multiplier) : যদি বিয়োজন বিলাক (leakage) যেনে জমা, যেনে আয়ৰ প্ৰবাহতকৈ যথেষ্ট ডাঙৰ হয়, তেতিয়া বিনিয়োগ গুণনীয়কৰ শক্তি (Strength) কমিব আৰু বিনিয়োগৰ এক নিৰ্দিষ্ট বৃদ্ধিয়ে অতি কম পৰিমাণৰ আয় বৃদ্ধি কৰিব। তাৰ বিপৰীতে যদি বিয়োজনবোৰ (leakage) আয়ৰ বৃত্তীয় প্ৰবাহতকৈ খুব কম হয় তেতিয়া গুণনীয়ক (multiplier) বিলাকে অধিক শক্তি পাব। এই ক্ষেত্ৰত অতি কম পৰিমাণৰ বিনিয়োগেই আয়ৰ যথেষ্ট পৰিমাণৰ বৃদ্ধি আনিব।

viii) জাতীয় আয় গণনাৰ গুৰুত্ব (Importance in national income accounting) : জাতীয় আয় গণনা বিভিন্ন খণ্ডৰ প্ৰাপ্তি আৰু পৰিশোধৰ পৰিসংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি কৰা হয়। এই একেটা মডেলৰ অধিক সফল আৰু আকৰ্ষনীয় ধৰণেৰে জাতীয় উৎপন্ন দ্ৰব্য, আয় আৰু খৰচৰ বৃত্তীয় প্ৰবাহৰ যোগেদি পাব পাৰি।

ix) বাণিজ্য চক্ৰৰ গুৰুত্ব (Importance of business cycle) : এক বৃত্তীয় প্ৰবাহত বিয়োজনতকৈ যদি সংযোজন বেছি হয় তেতিয়া পৰিবৰ্তনশীল চলকবোৰ বৃদ্ধি হোৱাৰ প্ৰৱণতা পায়। ই বাণিজ্য চক্ৰৰ উত্থানৰ পৰ্য্যায় বা স্তৰ বুজায়। ইয়াৰ বিপৰীতে বিয়োজনতকৈ যদি সংযোজন কম হয় তেতিয়া সকলোবোৰ পৰিবৰ্তনশীল চলকৰ (variables) বিশালতা কমিবলৈ প্ৰৱনতা পাব। ইয়েই ব্যৱসায় আৱৰ্ত্তনীৰ সংকোচন স্তৰ বা পৰ্য্যায় বুজায়।

x) বিত্তীয় নীতিৰ গুৰুত্ব (Importance of monetary policy) : যদি এখন অৰ্থনীতি মুদ্ৰা হ্ৰাস বা মন্দাৱস্থাৰ সন্মুখীন হয় তেতিয়া কেন্দ্ৰীয় বেংকে টকা বা বাকী সুদৰ হাৰ বৃদ্ধিৰ নীতি নিয়োগ কৰে মন্দাৱস্থা অতিক্ৰম কৰিবৰ বাবে। এনেধৰণৰ নীতিয়ে বিয়োজনৰ তুলনাত সংযোজন শক্তিশালী কৰে আৰু অৰ্থনীতিত স্থিৰতা পাব পৰা যায়। বিপৰীতে কেন্দ্ৰীয় বেংকে হঠাতে হোৱা মূল্যবৃদ্ধি বা মুদ্ৰাস্ফীতিৰ অৱস্থাত টকাৰ পৰিমান বা বাকীৰ সুদৰ হাৰৰ পৰিমান কমাব। এই নীতিয়ে সংযোজনৰ তুলনাত বিয়োজন অধিক শক্তিশালী কৰিব আৰু হঠাৎ হোৱা মূল্যবৃদ্ধি বা মুদ্ৰাস্ফীতিক দমন কৰি অৰ্থনৈতিক স্থিৰতা ঘুৰাই আনিব।

xi) ৰাজহ সম্বন্ধীয় নীতিৰ গুৰুত্ব (Importance of fiscal policy) : যদিহে মন্দাৱস্থা (depression) বা নিবনুৱা অৱস্থা হয়, তেতিয়া বিয়োজনতকৈ সংযোজনক অধিক শক্তিশালী কৰিবৰ কাৰণে চৰকাৰে চৰকাৰী খৰচৰ বৃদ্ধি, কৰ হ্ৰাস, বৃত্তীয় ঘাটি আদি ৰাজহ সম্বন্ধীয় ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে। এই ব্যৱস্থাই বিয়োজন হ্ৰাস কৰে আৰু সংযোজন বৃদ্ধি কৰে আৰু ইয়াৰ পৰিনাম স্বৰূপে অৰ্থনীতি পদ্ধতিয়ে পূৰ্ণ নিযুক্তিত ভাৰসাম্য লাভ কৰে। ইয়াৰ বিপৰীতে হঠাতে হোৱা

xii) বাণিজ্য নীতিৰ গুৰুত্ব (Importance of trade policy) : চৰকাৰৰ দ্বাৰা অৱলম্বন কৰা ৰপ্তানিৰ উন্নীতকৰণ আৰু আমদানি নিয়ন্ত্ৰণ নীতিয়ে বিদেশলৈ দৰমহা প্ৰবাহ হ্ৰাস কৰে আৰু বিদেশৰ পৰা প্ৰাপ্তিৰ প্ৰবাহ বৃদ্ধি কৰে। ই এখন দেশক বাণিজ্যিক লেনদেন ঘাটি সমস্যাক নিয়ন্ত্ৰণ কৰাত সামৰ্থবান কৰে।

ওপৰত দিয়া বিশ্লেষণৰ পৰা এইটো স্পষ্ট যে আয়, উৎপাদিত দ্ৰব্য আৰু খৰচৰ বৃত্তীয় প্ৰবাহৰ বিশাল গুৰুত্ব কেৱল মাত্ৰ অৰ্থনৈতিক বিশ্লেষণতেই নাই; কিন্তু অৰ্থনৈতিক নীতি প্ৰস্তুতৰ ক্ষেত্ৰত

## 2.11. মুক্ত অৰ্থনীতিত জাতীয় আয়ৰ হিচাব (National Income Accounting in an open Economy)ঃ

মুক্ত অৰ্থনীতিত ঘৰুৱা এজেন্ট বা উৎপাদনকাৰীয়ে বিদেশীৰ পৰা দ্ৰব্য, সেৱা, উপাদান, সেৱা, শাৰীৰিক আৰু বৃত্তীয় সম্পদ ক্ৰয় কৰিব পাৰে। একেদৰেই বিদেশী সকলেও এই সকলো দ্ৰব্য বা সেৱা ঘৰুৱা এজেন্ট, উৎপাদনকাৰী বা প্ৰতিষ্ঠানৰ পৰা কিনিব পাৰে।

সকলো আধুনিক অৰ্থনীতিয়েই হ'ল মুক্ত অৰ্থনীতি। পৃথিৱীৰ প্ৰতিখন দেশৰে অৰ্থনৈতিক সম্পৰ্ক বাকী দেশ বিলাকৰ লগত আছে। আৰ্ন্তজাতিক অৰ্থনৈতিক সম্পৰ্কই উৎপাদন, উপভোগ আৰু মূলধন গঠনত প্ৰভাব পেলায়। পৃথিৱীৰ বাকী দেশবোৰৰ লগত থকা অৰ্থনৈতিক সম্পৰ্কত তলৰ কথাখিনি জড়িত থাকে।

i) বিদেশীসকলৰ দ্ৰব্য আৰু সেৱা বিক্ৰী (ৰপ্তানী)

ii) পৃথিৱীৰ বাকীদেশবোৰৰ পৰা দ্ৰব্য আৰু সেৱাৰ ক্ৰয় (আমদানি)

iii) সম্পদ আহৰণৰ দ্বাৰা বিদেশীৰ পৰা অংশপত্ৰ, ব'ণ্ড, লাভাংশ ক্ৰয়।

iv) বিদেশীৰ ওচৰত থকা দায়বদ্ধতাৰ বাবে অংশপত্ৰ, ব'ণ্ড, লাভাংশ আদিৰ বিক্ৰী।

v) বিদেশীক ধাৰে দিয়া আৰু বিদেশীৰ পৰা ধাৰে লোৱা চৰকাৰৰ পৰা চৰকাৰলৈ প্ৰত্যক্ষভাৱে ধাৰে দিয়া আৰু বিশ্ব বেংক বা আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধি (IMF) আদি আন্তঃৰাষ্ট্ৰীয় বৃত্তীয় প্ৰতিষ্ঠানৰ যোগেদি অপ্ৰত্যক্ষভাৱে ধাৰে দিয়া বা ধাৰে লোৱা।

vi) বিদেশীলৈ উপহাৰ পঠোৱা আৰু তেওঁলোকৰ পৰা উপহাৰ গ্ৰহণ কৰা।

vii) এখন দেশৰ স্থানীয় বাসিন্দাই অন্য এখন দেশলৈ কাম কৰিবলৈ যোৱা আৰু বিদেশৰ বাসিন্দাই ঘৰুৱা দেশখনৰ সীমাৰ ভিতৰলৈ আহি কাম কৰা।

এতিয়া আমাৰ লক্ষ্য হ'ল কেনেকৈ জাতীয় আয় হিচাব কৰা প্ৰণালী পৰিসীমিত (modify) কৰিব পাৰি যেতিয়া ওপৰত উল্লেখ কৰা লেনদেনবোৰ মুক্ত অৰ্থনীতিত প্ৰয়োগ কৰা হয়।

## 2.12. মূল্য সংযোজিতপদ্ধতি (The Value added Method) ঃ

আগতে উল্লেখ কৰাৰ দৰে মুঠ সংযোজিত মূল্যই এখন ফাৰ্মৰ উৎপাদনৰ প্ৰকৃত মূল্য দিয়ে য'ত মূল্যৰ অৱনতিত অৰ্ন্তভূক্ত থাকে। তদনুসাৰে এখন দেশৰ এটা নিৰ্দিষ্ট সময়ৰ মুঠ ঘৰুৱা উৎপাদন (GDP) দশ খনৰ ভৌগোলক সীমাৰ ভিতৰত থকা সকলো ঘৰুৱা ব্যক্তিগত আৰু ৰাজহুৱা উদ্যোগৰ মুঠ সংযোজিত মূল্যৰ সমষ্টিৰ দ্বাৰা দিয়া হয়। যোগ নিৰ্দিষ্ট সময়ৰ চৰকাৰী প্ৰশাসন আৰু প্ৰতিৰক্ষাৰ মজুৰি আৰু দৰমহাৰ দ্বাৰা পোৱা যায়।

ইয়াত লক্ষ্য কৰিব লগীয়া মূল কথাটো (point) হ'ল যে ঘৰুৱা ফাৰ্ম কিছুমানে ব্যৱহাৰ কৰা মধ্যৱৰ্ত্তী সা-সৰঞ্জা (input) বিদেশী ফাৰ্মৰ পৰাও কিনা হ'ব পাৰে। সেয়ে যেতিয়া মূল সংযোজন পদ্ধতিৰ দ্বাৰা জাতীয় আয় গণনা ক হয় তেতিয়া মধ্যৱৰ্ত্তী সা-সৰঞ্জাম হিচাবে আমদানি কৰা আচল মূল্যকো যোগ কৰিব লাগে।

## 2.13. আয় পদ্ধতি (Income Method) ঃ

এখন ফাৰ্মে এক নিৰ্দিষ্ট বছৰত উৎপাদন কৰা দ্ৰব্যৰ মুঠ লাভৰ সংজ্ঞা দিয়া হয় যে ফাৰ্মখন বন্ধ বা মুক্ত অৰ্থনী